# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-10-2025
**Time :** 1715 Hrs.

# *Assamese Evening Bulletin*

oooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উন্মোচনৰ বাবে কেন্দ্ৰীয় ফৰেনচিক গৱেষণাগাৰলৈ প্ৰেৰণ কৰা শিল্পীগৰাকীৰ ভিছেৰা প্ৰতিবেদন আজি আৰক্ষীয়ে লাভ কৰাৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। চিকিৎসা মহাবিদ্যালয়খনে এই সন্দৰ্ভত গঠন কৰা তদন্ত সমিতিয়ে প্ৰতিবেদন পুংখানুপুংখভাৱে পৰীক্ষা কৰিব। উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল যদিও মৃত্যুৰ ঘটনাক লৈ সন্দেহ ঘণীভূত হোৱাৰ পৰিপ্ৰেক্ষিতত পুনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত তেওঁৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল আৰু ভিছেৰা নতুন দিল্লীলৈ প্ৰেৰণ কৰা হৈছিল। এই সন্দৰ্ভত শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ্ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই সাংবাদিকৰ আগত এইদৰে কয়-

**বাইট**

শ্ৰীগুপ্তাই কয় যে ছিংগাপুৰত যিহেতু অসম আৰক্ষীয়ে গৈ ঘটনাটোৰ তদন্ত কৰিব নোৱাৰে সেয়েহে কেন্দ্ৰীয় চৰকাৰে দেশখনৰ সৈতে থকা পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি দেশখনক এই গোচৰৰ তদন্তৰ ক্ষেত্ৰত সহায়ৰ বাবে ইতিপূৰ্বে অৱগত কৰোৱা হৈছে। তেওঁ কয় যে এই অনুসৰি ছিংগাপুৰ চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থাও গ্ৰহণ কৰিছে। ছিংগাপুৰত থকা ভাৰতীয় উচ্চ আয়োগৰ সৈতে আৰক্ষীয়ে অহৰহ যোগাযোগ ৰাখিছে বুলিও তেওঁ কয়। তদুপৰি জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১জন প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে ইতিমধ্যে চমন জাৰি কৰিছে আৰু ইয়াৰে ৰূপকমল কলিতা নামৰ লোকজন অসমত উপস্থিত হৈ আৰক্ষীক ভাষ্য দিছে বুলি শ্ৰীগুপ্তাই উল্লেখ কৰে।

ইপিনে, শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত আজিও আৰক্ষীয়ে কেইবাজনো লোকক সোধা-পোচা কৰে। জুবিন গাৰ্গৰ সহশিল্পী শতাব্দী বৰাৰো আজি আৰক্ষীয়ে ভাষ্য গ্ৰহণ কৰে।

oooooo

অসম আৰক্ষীৰ কনিষ্টবল পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে কনিষ্টবল পদত থকা স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ পাছত আজি ৫ হাজাৰ ৬১৪টা পদৰ ফলাফল ঘোষণা কৰা হয়। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদৰ আনুষ্ঠানিক ৱেবছাইট SLPRB ASSAM.IN আপলোড কৰা হৈছে।

ইপিনে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডে কালি ৭ হাজাৰ ৬৫০টা তৃতীয় বৰ্গৰ পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। ফলাফলত উত্তীৰ্ণ প্ৰাৰ্থীসকলে ৫০ টা বিভাগত নিযুক্তি লাভ কৰিব। ইয়াৰ

ভিতৰত কৃষি বিভাগত সৰ্বাধিক এহেজাৰ ৮৫০ টা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ৮৭৩ টা আৰু বিদ্যালয় শিক্ষা বিভাগত ৫৮১ টা পদ খালী আছে।

তৃতীয় বৰ্গৰ পদৰ ফলাফলৰ লগতে অসম আৰক্ষীৰ ৬২৫ টা পদৰ ফলাফলো কালি ঘোষণা কৰা হয়।

ইপিনে, স্বাস্থ্য বিভাগে কাইলৈ ৩ হাজাৰ ৬৯৮টা পদৰ বাবে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। চিকিৎসা শিক্ষা সঞ্চালকালয়, স্বাস্থ্য সেৱা সঞ্চালকালয় আৰু আয়ুষকে ধৰি স্বাস্থ্য বিভাগৰ অধীনৰ এই পদসমূহৰ ফলাফল ঘোষণাৰে স্বচ্চ নিযুক্তিৰ ক্ষেত্ৰত আন এক মাইলৰ খুঁটি স্থাপন হ'ব বুলি ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণীৰ সৈতে সম্পৰ্ক আৰু আকাশবাণীৰ বৰ্তমানৰ অনুষ্ঠানসমূহৰ মান সম্পৰ্কত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আগবঢ়োৱা মতামতে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব এটা বিশেষ দৃষ্টিপাত। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট বিজ্ঞানী কল্পবিজ্ঞান লেখক ড০ দীনেশ চন্দ্ৰ গোস্বামী। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়া ধীৰেন্দ্ৰ নাথ শইকীয়া, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন জ্যেষ্ঠ বিষয়া শেৱালী চৌধুৰী, বিশিষ্ট শিল্পী, বনচাই বিশেষজ্ঞ লাবু সেনাপতি আৰু জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

তামুলপুৰৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত তামুলপুৰৰ শ্ৰীমন্ত শংকৰদেৱ ৰাজহুৱা প্ৰেক্ষাগৃহত আজি বিধানসভা ভিত্তিত আয়োজিত সমাগত মেগা স্বাস্থ্য শিবিৰ সন্দৰ্ভত জিলা পৰ্যাযৰ কৰ্মশালা অনুষ্ঠিত হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত অনুষ্ঠিত কৰ্মশালাখনিত আয়ুক্তগৰাকীয়ে স্বাস্থ্য মেলাখন সফল কৰি তুলিবলৈ স্বাস্থ্য বিভাগৰ লগতে সকলো বিভাগৰে সহযোগিতা কামনা কৰে। উল্লেখযোগ্য যে ২২ অক্টোবৰত তামুলপুৰ বিধানসভা সমষ্টিৰ বাবে তামুলপুৰ মহাবিদ্যালয় আৰু ২৭ অক্টোবৰত গোৰেশ্বৰ বিধানসভা সমষ্টিৰ বাবে গোৰেশ্বৰ উচ্চ মধ্যমিক বিদ্যালয়ত এই মেগা স্বাস্থ্য মেলা অনুষ্ঠিত হব। মেগা স্বাস্থ্য মেলাত জিলাখনৰ প্ৰায় ৪ হাজাৰ ১৮ বছৰ অনুৰ্ধৰ শিক্ষাৰ্থী তথা ৰোগীক চিকিৎসা আগবঢ়োৱাৰ বাবে লক্ষ্য স্থিৰ কৰা হৈছে।

০০০০০০

**সমাপ্ত**